**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

————————————————

oooooo

১। কলা-সংস্কৃতি তথা সংগীত ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা ৰাজ্যৰ পাঁচগৰাকী শিল্পীলৈ সংগীত নাটক একাডেমী বঁটা।

২। ৰাজ্যত পুনৰ শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মন্তব্য।

৩। উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ বাবে বছৰজোৰা পৰীক্ষাৰ সম্ভাব্য সময়সূচী প্ৰকাশ।

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালত সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত। **আৰু**

৫। আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ত আজিৰেপৰা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা।

oooooo

কলা-সংস্কৃতি তথা সংগীত ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট শিল্পীলৈ সংগীত নাটক একাডেমী বঁটা আগবঢ়োৱা হৈছে। কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি সত্ৰীয়া শিল্পী প্ৰেম ওজা বৰবায়ন আৰু কথক শিল্পী বিপুল চন্দ্ৰ দাসে ২০২৪ বৰ্ষৰ বাবে একাডেমী বঁটা লাভ কৰিছে। একেদৰে ২০২৫ বৰ্ষৰ বাবে সত্ৰীয়া শিল্পী মল্লিকা কন্দলী, সত্ৰীয়া সংগীত তথা নৃত্যশিল্পী ভাস্কৰজ্যোতি ওজা আৰু অভিনয়ৰ ক্ষেত্ৰত চেতনা দাসে একাডেমী বঁটা লাভ কৰিছে। বঁটা লাভ কৰি বিশিষ্ট অভিনেত্ৰীগৰাকীয়ে এইদৰে অনুভৱ ব্যক্ত কৰে –

বাইট (চেতনা)

সত্ৰীয়া নৃত্যৰ বাবে মীনাক্ষি মেধি, নাট্য পৰিচালনাৰ বাবে বিদ্যুৎ কুমাৰ নাথ আৰু লোকসংগীত শিল্পী দিলীপ হীৰালৈ ২০২৪ বৰ্ষৰ ওস্তাদ বিছমিল্লা খান যুৱ পুৰস্কাৰ আগবঢ়োৱা হৈছে। ২০২৫ বৰ্ষৰ বাবে খোলবাদক দেৱজিৎ শইকীয়া, সত্ৰীয়া নৃত্যৰ শিল্পী নিৰঞ্জন শইকীয়া বৰবায়ন আৰু টোকাৰি গীতৰ শিল্পী হীৰকজ্যোতি শৰ্মাই ওস্তাদ বিছমিল্লা খান যুৱ পুৰস্কাৰ লাভ কৰিছে।

বঁটা লাভ কৰি উৎফুল্লিত হৈ পৰা শিল্পী হীৰকজ্যোতিয়ে এইদৰে মনৰ কথা প্ৰকাশ কৰে –

বাইট

কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবেলি দেশৰ মুঠ ৭ গৰাকী বিশিষ্ট ব্যক্তিক সংগীত নাটক একাডেমী ফেল'শ্বিপ – 'একাডেমী ৰত্ন' প্ৰদান কৰা হৈছে।

সংগীত নাটক একাডেমীয়ে ২০২৪ আৰু ২০২৫ বৰ্ষৰ বাবে সংগীত, নৃত্য, নাটক, লোক, জনজাতীয় আৰু পুতলা নাচৰ লগতে পৰিৱেশ্য কলাৰ বিভিন্ন শিতানত সামগ্ৰিক অৱদান আৰু গৱেষণাৰ বাবে ১০৮ গৰাকী শিল্পীক সংগীত নাটক একাডেমী বঁটাৰ বাবে বাছনি কৰিছে। ইয়াৰ উপৰি একাডেমীয়ে ২০২৪ আৰু ২০২৫ বৰ্ষৰ বাবে ১০৬গৰাকী যুৱ শিল্পীক ওস্তাদ বিছমিল্লা খান বঁটাৰ বাবে বাছনি কৰিছে।

oooooo

ৰাজ্যত পুনৰ শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। শিক্ষা বিভাগৰ দায়িত্ব লাভ কৰাৰ পাছত বিভাগটোৰ কেইবাখনো পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শিক্ষকৰ খালী পদৰ তথ্য শিক্ষা সেঁতু এপৰ পৰা লাভ কৰা হৈছে। খালী পদ পূৰণৰ ক্ষেত্ৰত বিভাগে এইবাৰ কিমান সংখ্যক শিক্ষকে অৱসৰ গ্ৰহণ কৰিব, সেই বিষয়টোতো গুৰুত্ব দিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে নিযুক্তিৰ বিজ্ঞাপন শাখাৰ পৰা নিযুক্তি লাভ কৰা লৈকে এই দীঘলীয়া সময়ছোৱাত বহু শিক্ষকে অৱসৰ গ্ৰহণ কৰে আৰু ভালেসংখ্যক পদ খালী হৈ পৰে। সেয়েহে এইবাৰ নিযুক্তিৰ সময়ত ২০২৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত কিমান পদ খালী হ'ব, সেই বিষয়টোত বিশেষভাৱে নজৰ দিয়া হ'ব, যাতে খালী পদসমূহ সঠিকভাৱে পূৰণ হয়।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ বাবে বছৰজোৰা পৰীক্ষাৰ সম্ভাব্য সময়সূচী প্ৰকাশ কৰিছে। পৰিষদে জাৰি কৰা অধিসূচনা অনুসৰি পৰৱৰ্তী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা ২০২৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চত অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ বাবে জুনত প্ৰথম গোট পৰীক্ষা, ছেপ্তেম্বৰত ছমহীয়া পৰীক্ষা, অক্টোবৰত দ্বিতীয় গোট পৰীক্ষা আৰু ডিচেম্বৰত পুনৰীক্ষণমূলক পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাৰ অন্যান্য সময়সূচী অনুসৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বাবে আগষ্টত প্ৰথমটো গোট পৰীক্ষা অনুষ্ঠিত হ'ব। একেদৰে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছমহীয়া পৰীক্ষা নৱেম্বৰত আৰু ২০২৭ চনৰ জানুৱাৰীত দ্বিতীয়টো গোট পৰীক্ষা অনুষ্ঠিত হ'ব। ৩১ মাৰ্চৰ পূৰ্বে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হ'ব। অধিসূচনাত উল্লেখ থকা অনুসৰি উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সকলো গোট পৰীক্ষা, ছমহীয়া, পুনৰীক্ষণমূলক আৰু বছৰেকীয়া পৰীক্ষাৰ সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ে বাধ্যতামূলকভাৱে অনুষ্ঠিত কৰিব লাগিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। শ্ৰীমোদীয়ে কালি পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ ৪ হাজাৰ ৩৯৮ দিনৰ অভিলেখ ভংগ কৰি এই কৃতিত্ব অৰ্জন কৰে।

এই উপলক্ষে শ্ৰীমোদীয়ে কয়, যে দেশৰ ১৪০ কোটি নাগৰিকৰ আশা-আকাংক্ষা নিশ্চিতভাৱে পূৰণ হ'ব। তেওঁ কয়, যে এন ডি এয়ে সদায়ে ৰাষ্ট্ৰৰ আস্থা অধিক শক্তিশালী কৰি আহিছে। কালি সন্ধিয়া নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত এন ডি এৰ এখন বৈঠকত ভাষণ দি তেওঁ কয়, যে কংগ্ৰেছৰ বিশ্বাসঘাতকতাৰ পাছত দেশৰ জনসাধাৰণে এন ডি এ চৰকাৰক নিজৰ আস্থা অৰ্পণ কৰিছে। এন ডি এ চৰকাৰে যোৱা ১২ বছৰত ২৫ কোটিতকৈও অধিক লোকক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰাটোৱেই এই চৰকাৰৰ নীতিসমূহ যে শুদ্ধ আৰু সঠিক সেয়া প্ৰতিফলিত কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি, মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিম, জাৰ্মানৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জ, কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে সৰ্বাধিক সময়ৰ বাবে কাৰ্যনিৰ্বাহ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালত সাক্ষীৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। কালি আদালতত সময়ৰ অভাৱৰ বাবে ৰাজা অসম আৰু বিৰিঞ্চি বৰা নামৰ

দুজন লোকে সাক্ষ্য প্ৰদান কৰিব নোৱৰাত আজি আদালতে পুৱাৰ ভাগতে লোক দুজনৰ সাক্ষ্য গ্ৰহণ কৰিব। ইপিনে আজিৰ দিনটোত সাক্ষ্য প্ৰদানৰ বাবে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন নেতা পলাশ ৰঞ্জন বৰুৱা, আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিৎ শৰ্মাৰ লগতে ৰিংকু নাথ আৰু বিষ্ণু শৰ্মা নামৰ লোক দুজন আদালতত উপস্থিত থাকিব। ইতিমধ্যে ফাষ্টট্ৰেক আদালত গোচৰটোৰ সন্দৰ্ভত কেইবাগৰাকীও লোকৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে।

০০০০০০

অসম দেশৰ কনচাৰ্ট অৰ্থনীতিৰ নতুন কেন্দ্ৰ হিচাপে পৰিচিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। গুৱাহাটীৰ খানাপাৰাত প'ষ্ট মেলনৰ অনুষ্ঠানৰ পাছত ৰাজ্যৰ পৰ্যটনখণ্ডৰ লগতে বিভিন্নখণ্ডত ইতিবাচক প্ৰভাৱ পৰিছে আৰু অহা পাঁচ বছৰত ৭০০ কোটি টকাৰ অৰ্থনৈতিক সম্ভাৱনাৰ পূৰ্বানুমান কৰা হৈছে। অসম পৰ্যটন উন্নয়ন নিগম, বুক মাই শ্ব' আৰু ই-ৱাই-পাৰ্থেননৰ প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ পৰিচালন সঞ্চালক কুমাৰ পদ্মপাণি বৰাই গুৱাহাটীত কালি এখন সংবাদমেলত কয়, যে কনচাৰ্ট অৰ্থনীতিৰ অংশ হিচাপে গুৱাহাটীৰ লগতে যোৰহাট আৰু ডিব্ৰুগড়ত এবছৰত তিনিটাকৈ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব। তেওঁ লগতে গুৱাহাটীত কনচাৰ্ট এৰিনা নিৰ্মাণ হ'ব বুলি প্ৰকাশ কৰে।

বাইট (পদ্মপাণি)

অসম উন্নয়ন পৰ্যটন নিগম লিমিটেড আৰু ই ৱাই পাৰ্থেননৰ সহযোগত বুক মাই শ্ব'ই গুৱাহাটীত প'ষ্ট মেলনৰ অনুষ্ঠানৰ প্ৰেক্ষাপটত প্ৰকাশ কৰা 'দা আছাম ব্লুপ্ৰিণ্ট ঃ টাৰ্মিং লাইভ মিউজিক ইক'নমি ইন টু এ ট্যুৰিজিম মাল্টিপ্লায়াৰ' শীৰ্ষক প্ৰতিবেদনত ৰাজ্যৰ পোনপটীয়া মনোৰঞ্জন খণ্ডৰ অৰ্থনীতি, পৰ্যটন, কৰ্মসংস্থাপন আৰু সাংস্কৃতিক ক্ষেত্ৰৰ প্ৰভাৱৰ বিশদ পৰ্যালোচনা কৰা হৈছে। প্ৰতিবেদনখনত অসমৰ উদাহৰণ দি সু-পৰিকল্পিত ব্যৱস্থা গঢ়ি পৰ্যটন আন্তঃগাঁথনিৰ বিকাশ আৰু দীৰ্ঘম্যাদি বিনিয়োগৰ জৰিয়তে মনোৰঞ্জনক কেৱল এটা সাংস্কৃতিক আয়োজনৰ গণ্ডীত সীমাবদ্ধ নাৰাখি ধাৰাবাহিক অৰ্থনৈতিক প্ৰগতিৰ চালিকা শক্তিলৈ ৰূপান্তৰ কৰা সম্ভৱ বুলি ৰূপান্তৰ কৰা হৈছে। সু-পৰিকল্পিতভাৱে বৃহৎ পৰিসৰৰ পোনপটীয়া মনোৰঞ্জনমূলক অনুষ্ঠানৰ ধাৰাবাহিক আয়োজনৰ জৰিয়তে অহা ৫ বছৰত অসমত ৭০০ কোটিতকৈ অধিক টকাৰ সামগ্ৰিক অৰ্থনৈতিক প্ৰভাৱ সৃষ্টি হ'ব পাৰে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

০০০০০০

ডিব্ৰুগড় মহানগৰত বৃদ্ধি পোৱা যান-জঁটৰ সমস্যা আৰু আমোলাপট্টি উৰণ সেতু তথা মানকটা ৰোডৰ ৰে'লৰে অভীৰব্ৰীজ নিৰ্মাণ কাৰ্য চলি থকাৰ পৰপ্ৰেক্ষিতত ডিব্ৰুগড় চহৰত যান-বাহন চলাচল নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে। কালি ডিব্ৰুগড় আয়ুক্ত আৰু জিলা পথ সুৰক্ষা সমিতিয়ে ডিব্ৰুগড় নগৰৰ ভিতৰতভাগত গধূৰ বাহন আৰু মজলীয়া বাহন চলাচল নিয়ন্ত্ৰণৰ বাবে এই নিৰ্দেশনা জাৰি কৰিছে। লোকনিৰ্মাণ বিভাগৰ পথ শাখাৰ পৰা পোৱা প্ৰতিবেদন অনুসৰি পথ নিৰ্মাণকাৰ্য চলি থকাৰ সময়ত যান-জঁট বৃদ্ধি আৰু পথ সুৰক্ষাৰ ক্ষেত্ৰত সৃষ্টি হ'ব সম্ভাব্য বিপদক লৈ উদ্বেগ প্ৰকাশ পোৱাৰ পাছতে এই সিদ্ধান্ত লোৱা হৈছে। এই বিষয় সন্দৰ্ভত ৩ জুনত অতিৰিক্ত পৰিবহণ জিলা আয়ুক্তৰ নেতৃত্বত ব্যৱসায় সন্থাৰ লগতে কেইবাটাও প্ৰতিষ্ঠানৰ লগত আলোচনা অনুষ্ঠিত হয়। এই নিৰ্দেশনা অনুসৰি গধূৰ আৰু মজলীয়া যান বাহনসমূহ নগৰৰ ভিতৰত নিশা ৯ বজাৰ পৰা পুৱা ৬ বজাৰ ভিতৰতে প্ৰৱেশ, চলাচল আৰু সামগ্ৰী কঢ়িওৱাৰ অনুমতি প্ৰদান কৰা হৈছে। নগৰত প্ৰৱেশ কৰা সকলো ধৰণৰ গধূৰ আৰু মজলীয়া

যান বাহন ডিব্ৰুগড় বাইপাছ হৈ চাউলখোৱা পথেৰে চলাচল কৰিব লাগিব। ডিব্ৰুগড় যান-বাহন আৰক্ষীয়ে ইয়াৰ বাবে প্ৰয়োজনীয় যান-বাহন পৰিকল্পনা প্ৰকাশ কৰিব। ডিব্ৰুগড় যান-বাহন আৰক্ষী আৰু জিলা পৰিবহণ বিষয়াক এই নিয়মসমূহ কঠোৰভাৱে বলৱৎ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নগৰখনৰ ভিতৰত গধূৰ বাহনসমূহ নিৰ্দিষ্ট স্থানতহে ৰখোৱাৰ অনুমতি প্ৰদান কৰা হৈছে।

oooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আজিৰেপৰা ১৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিক'ৰ ১৬ টা স্থানত অনুষ্ঠিত হ'ব। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত এইবাৰ প্ৰথম বাৰৰ বাবে ৩২ খন দেশৰ পৰিৱৰ্তে ৪৮ খন দেশে অংশগ্ৰহণ কৰিব। এই দলসমূহক ১২ টা গ্ৰুপত ভাগ কৰা হৈছে আৰু প্ৰতিটো গ্ৰুপত চাৰিটাকৈ দল থাকিব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই পোনপটীয়াকৈ নক-আউট পৰ্যায়ত প্ৰৱেশ কৰিব। ইয়াৰ উপৰি তৃতীয় স্থানত থকা দল কেইটাও নক-আউট পৰ্যায়লৈ যোগ্যতা লাভ কৰিব।

প্ৰতিযোগিতাত মুঠ ১০৪ খন খেল অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত ৭২ খন গ্ৰুপ পৰ্যায়ত আৰু ৩২ খন নক-আউট পৰ্যায়ৰ খেল আছে। ফাইনেল খেল ১৯ জুলাইত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি আয়োজক দেশ মেক্সিক', দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। অসম লোকসেৱা আয়োগৰ নিযুক্তি পৰীক্ষাৰ বাবে ৭৮টা পদৰ বিপৰীতে ৪১হাজাৰ ৬৯৫গৰাকী চাকৰি প্ৰত্যাশীয়ে আবেদন দাখিল কৰিছে। এটা পদৰ বাবে ৫৩৫গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া হোৱাটো উদ্বেগজনক বুলি অসমীয়া প্ৰতিদিন কাকতে সবিস্তাৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে একেৰাহে দীৰ্ঘতম সময়ৰ বাবে গণতান্তিকভাৱে নিৰ্বাচিত প্ৰধানমন্ত্ৰীলৈ পৰিগণিত হোৱা উপলক্ষে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত বৰ্ণাঢ্য কাৰ্যসূচী সম্পৰ্কীয় বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকততে প্ৰথম পৃষ্ঠাত স্থান দখল কৰিছে। নিয়মীয়া বাৰ্তা কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনামঃ নতুন মাইলষ্টোনত উপনীত হৈ ভাৰত মণ্ডপমত মোদী- মোৰ বাবে লদেশৰ জনগণ ইশ্বৰৰ প্ৰতিমূৰ্তি। দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত একেটা বাতৰিৰ শিৰোনামঃসৰ্বাধিক কাৰ্যকালৰ নিৰ্বাচিত প্ৰধানমন্ত্ৰী, অভিলেখৰ বাবে মোদীক প্ৰশংসাৰে উপচালে কেন্দ্ৰীয় মন্ত্ৰীসভা, এনডিএই। দি চেন্টিনেল কাকততো বাতৰিটো প্ৰথধম পৃষ্ঠাত পৰিৱেশন কৰা হৈছে।

ইফালে, ৮খন দেশৰ অংশগ্ৰহণেৰে আজি ফুটবল বিশ্বকাপ আৰম্ভ হব। আমেৰিকা, কানাডা আৰু মেক্সিকোৰ ১৬খন ষ্টেডিয়ামত এইবাৰৰ বিশ্বকাপ ফুটবলৰ আয়োজন কৰা হৈছে। এই বাতৰিটোক দৈনিক অসম কাকতে সবিস্তাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসম কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনামঃ আজি আৰম্ভ ফুটবলৰ বিশ্বযুদ্ধ, মেক্সিকোত উদ্বোধনী। দি আচাম ট্ৰিবিউন কাকততো বাতৰিটচোৱে প্ৰথম পৃষ্ঠাত শিৰোনাম দখল কৰিছে। ৱপশ্চিমবংগত মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ দলত ব্যাপক বিদ্ৰোহ আৰু বিসম্বাদক কেন্দ্ৰ কৰি দেশৰ ৰাজনীতিত তুমুল চৰ্চা চলিছে। অসমীয়া খবৰ কাকতে 'ৰাজনৈতিকভাৱে নিশ্চিহ্ন হোৱাৰ দিশে মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছ শিৰোনামেৰে এই বাতৰিটোক মুখগ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ে সংগীত

নাটক অকাডেমী বটা আৰু ফেলশ্বিপ ঘোষণা কৰিছে। ৰাজদ্যৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিয়ে ২০২৪-২৫বৰ্ষৰ সংগীত নাটক অকাডেমী বঁটা লাভ কৰিছে। অনান্য কাকতসমূহৰ লগতে দৈনিক জনমভূমি কাকততো এই বাতৰিটোক গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনিৰে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**